জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৭৭/২০২২**

**প্ৰয়াত দীপক কুমাৰ বৰঠাকুৰৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

## প্ৰয়াত বৰঠাকুৰে সমাজৰ উন্নতিৰ হকে জীৱন উৎসৰ্গা কৰিছিল ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** বিশিষ্ট সমাজকৰ্মী প্ৰয়াত দীপক কুমাৰ বৰঠাকুৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ বাবে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰয়াত বৰঠাকুৰে সমাজৰ উন্নতি, ৰাজ্যৰ বিকাশ আৰু অসমত সনাতনী সংস্কৃতিৰ ভেটি সুদৃঢ় কৰিবলৈ নিজৰ জীৱন উৎসৰ্গা কৰিছিল।

শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বৰঠাকুৰৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰ লগত থকা সান্নিধ্যৰ কথা স্মৰণ কৰি যে জন্ম আৰু মৃত্যু জীৱনৰ এৰাব নোৱাৰা এক চিৰন্তন সত্য। গীতাত উল্লেখ কৰাৰ দৰে মানুহৰ শৰীৰ সলনি হয়, কিন্তু আত্মা অবিনশ্বৰ। মুখ্যমন্ত্ৰীয়ে কয় যে ব্যৱসায়, পৰিয়াল আৰু আদৰ্শৰ জীৱন যাত্ৰাৰে প্ৰয়াত বৰঠাকুৰ এক প্ৰপ্তিৰ জীৱনৰ অন্ততঃ স্বৰ্গগামী হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে আজীৱন সমাজৰ হিতৰ হকে কাম কৰি প্ৰয়াত বৰঠাকুৰে জীৱনকালত বিবেকানন্দ কেন্দ্ৰ, শংকৰদেৱ নেত্ৰালয়, শংকৰদেৱ শিশু নিকেতন, নিউ আৰ্টছ প্লেয়াৰ্ছ, নাগৰিক বেংক ইত্যাদিকে ধৰি ৰাজ্যৰ বিভিন্ন সামাজিক-সাংস্কৃতিক প্ৰতিষ্ঠান স্থাপনৰ দিশত উল্লেখযোগ্য অৱদান যোগাই গৈছে।

প্ৰয়াত বৰঠাকুৰ ৰাষ্ট্ৰীয়তাবাদক একান্ত সাধক আছিল আৰু ভাৰতীয় সভ্যতা, সংস্কৃতিৰ প্ৰতি গভীৰভাৱে আস্থাশীল আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় য়ে প্ৰয়াত বৰঠাকুৰে অসমৰ সমাজ জীৱনত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ আদৰ্শক মূল সুঁতিলৈ অনাত তথা এই আদৰ্শক প্ৰাতিষ্ঠানিক ৰূপ দিয়াৰ দিশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগৰ প্ৰথমগৰাকী উপাধ্যক্ষ হিচাপে প্ৰয়াত বৰঠাকুৰে নতুনকৈ গঠিত এই আয়োগক এক বিশেষ গতি প্ৰদান কৰাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই আয়োগ প্ৰতিষ্ঠা হোৱাৰ পিছৰে পৰা প্ৰয়াত বৰঠাকুৰৰ নেতৃত্বত ৰাজ্যখনৰ অৰ্থনীতিৰ বিভিন্ন ক্ষেত্ৰলৈ চৰকাৰৰ উদ্ভাৱনীমূলক চিন্তা-চৰ্চা আৰু পদক্ষেপসমূহ আগবঢ়াই নিয়াতো তেওঁ বিশেষ ভূমিকা পালন কৰিছিল বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়।

ৰাজ্যৰ অৰ্থনীতিলৈ এগৰাকী উদ্যোগপতি হিচাপে প্ৰয়াত বৰঠাকুৰৰ অৱিহণাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁৰ কৰ্মই যুৱপ্ৰজন্মক সদায়ে অনুপ্ৰাণিত কৰি থাকিব। মুখ্যমন্ত্ৰীয়ে বৰঠাকুৰৰ মৃত্যুক অসমৰ সামাজিক, সাংস্কৃতিক জীৱনৰ এক অপূৰণীয় ক্ষতি বুলি কয়। মুখ্যমন্ত্ৰীয়ে অন্যান্য গণ্য-মান্য ব্যক্তিসকলৰ সৈতে প্ৰয়াত বৰঠাকুৰৰ জীৱনীৰ অসমীয়া সংস্কৰণো উন্মোচন কৰে। ৰাষ্ট্ৰীয় স্বয়ং সেৱক

সংঘৰ সহ-সৰকাৰ্যবাহ দত্তাত্ৰেয় হোচাবালে, উত্তৰ কমলবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দ্দন দেৱ গোস্বামী, বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰীৰ সভাপতি এ বালাকৃষ্ণণ, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অসম ক্ষেত্ৰৰ সংঘচালক ড° উমেশ চক্ৰৱৰ্তী, প্ৰয়াত বৰঠাকুৰৰ সহধৰ্মিনী ড° ইন্দিৰা বৰঠাকুৰ আৰু প্ৰয়াত বৰঠাকুৰৰ বহু শুভাকাংক্ষী শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকে।

**বীঃগঃ /পুঃডেঃ**
**২৮-২-২০২২**

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৭৮/২০২২**

# বিশিষ্ট

**দিছপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

**সুঃদঃ / প্ৰঃকুঃবঃ**
**২৮-২-২০২২**

**নং ঃ ৭৯/২০২২**

# বিশিষ্ট

**দিছপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** প্ৰতিটো ভাষাই হৈছে সেই ভাষা কোৱা লোকসকলৰ স্বকীয় পৰিচয়ৰ প্ৰতীক। তিৱা ভাষা অসমৰ এক প্ৰধান ভাষা আৰু এটা বৃহৎ জনগোষ্ঠী। জাতীয় জীৱনৰ বাহক আজি নগাঁও জিলাৰ বাৰপূজীয়াস্থিত ৪২'ৰ শ্বহীদ হেমৰাম পাটৰক্ষত্ৰত আয়োজিত তিৱা মাথনলাই তখ্ৰা (তিৱা সাহিত্য সভা)ৰ দ্বাদশ সাধাৰণ অধিৱেশনৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ উক্তি দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে সাহিত্য হৈছে এটা জাতিৰ দাপোন। জাতীয় জীৱন সংকীৰ্ণ হ'লে জাতীয় সাহিত্যও সংকীৰ্ণ হ'ব। যি জাতিৰ জাতীয় জীৱন শক্তিশালী সেই জাতিৰ সাহিত্যও শক্তিশালী। ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীৰ ভাষা-সাহিত্যৰ উত্তৰণ হ'লেহে সামগ্ৰিকভাৱে জাতিটোৰ উত্তৰণ হয় বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমি সকলোৱে জনজাতীয় ভাষাসমূহৰ স্বতন্ত্ৰতা মানি লোৱা উচিত। তিৱা জনগোষ্ঠীৰ লোকসকলক নিজৰ ঐতিহ্য, পৰম্পৰা চৰ্চাৰ পৰা আঁতৰি নাহিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে এই দৃষ্টিভংগী সন্মুখত ৰাখি আগুৱাই গ'লেহে তিৱাসকল জগৎ সভাত জিলিকি থাকিব। মথৌ নিজৰ আদিমতম বিশ্বাস, পৰম্পৰা আৰু লোকাচাৰ বুকুত সাবটিহে তিৱা ভাষা-সাহিত্যৰ চৰ্চাৰ সমান্তৰালভাৱে ভাষাটোৰ উৎকৃষ্ট সাহিত্যৰাজি অসমীয়াকে ধৰি অন্যান্য ভাষালৈ অনুবাদ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে পৰস্পৰৰ মাজত প্ৰতিযোগিতাৰে নহয়, সহযোগিতাৰ সম্পৰ্ক গঢ়িলেহে ভাষা-সাহিত্য শক্তিশালী হ'ব। একবিংশ শতিকাত তিৱা ভাষা সাহিত্যইও পৰিৱৰ্তনৰ সৈতে দৃঢ়তাৰে খোজ দি আগবাঢ়ি যাব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে সাহিত্য সৃষ্টি হয় প্ৰকৃতি, মানুহৰ সুখ-দুখ, অনুভূতি, বিশ্বাস, পৰম্পৰাৰ পৰা। সাহিত্যৰ পটভূমি সম্পৰ্কে মহাকবি বাল্মিকীৰ শ্লোকৰ পৰা আৰম্ভ কৰি কবি যতীন্দ্ৰ নাথ দুৱৰাৰ উক্তি দাঙি ধৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সাহিত্যৰ তাৎপৰ্য আৰু গুৰুত্ব সম্পৰ্কে এক সাৰগৰ্ভ বক্তৃতা দাঙি ধৰে।

তিৱা ভাষা সাহিত্যৰ উত্তৰণৰ বাবে তিৱা সাহিত্য সভাই গ্ৰহণ কৰি অহা নিৰলস প্ৰয়াসৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে ভাষা গৌৰৱ আঁচনিৰ লগতে জনগোষ্ঠীয় বিশ্বাস আৰু পৰম্পৰা বিভাগৰ জৰিয়তে ৰাজ্য চৰকাৰেও তিৱা ভাষাৰ লগতে প্ৰতিটো জনগোষ্ঠীয় ভাষাৰ বিকাশৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি ৰাজ্য চৰকাৰে তিৱা, বড়ো, মিচিং, কাৰ্বি, ডিমাছা আদি প্ৰতিটো জনগোষ্ঠীৰে নিজ নিজ মাতৃভাষাত প্ৰাথমিক শিক্ষা প্ৰদানৰ বাবে যাৱতীয় পদক্ষেপ হাতত লৈছে। ৰাজ্য চৰকাৰৰ ভূমি নীতিৰ পৰিপূৰক হিচাপে জনজাতীয় ভূমি আৱণ্টন নীতি গ্ৰহণৰ জৰিয়তে জনজাতীয় লোকসকলে বংশানুক্ৰমিকভাৱে ভোগ দখল কৰি অহা ভূমিৰ অধিকাৰ প্ৰদানৰ বাবেও প্ৰচেষ্টা গ্ৰহণ কৰা

হৈছে। তিৱা স্বায়ত্ত শাসিত পৰিষদক অধিক শক্তিশালী কৰাৰ লগতে জনগোষ্ঠীটোৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে প্ৰাগ ঐতিহাসিক যুগৰ কিংবদন্তী তিৱা বীৰ জোনালবলহুক জাতীয় বীৰৰ মৰ্যাদা প্ৰদানৰ পদক্ষেপ লোৱাৰ লগতে ৰাজ্য চৰকাৰে ৫০ কোটি টকা ব্যয়ৰে ৰহাৰ জোনালবলহু গড়ক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ়ি তুলিব।

আজিৰ অনুষ্ঠানত অধিৱেশনৰ আদৰণী সমিতিৰ সভাপতি তথা মৰিগাঁও বিধানসভা সমষ্টিৰ সভাপতি ৰমাকান্ত দেউৰী, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, তিৱা মাথনলাই তখ্াৰ বিদায়ী সভাপতি লালচিং মাদাৰ, নৱনিৰ্বাচিত সভাপতি দীপেন্দ্ৰ নাথ বৰদলৈ প্ৰমুখ্যে তিৱা স্বায়ত্তশাসিত পৰিষদ আৰু তিৱা মাথনলাই তখ্াৰ বিষয়ববীয়াসকল আৰু বহুকেইগৰাকী গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**
**২৮-২-২০২২**